**REGIONAL NEWS UNIT**
AKASHVANI, GUWAHATI
0000000000

**Date : 25-09-2025**
**Time :** 1205 Hrs

***Assamese Midday Bulletin***

**----------------------------**

000000

শিল্পী জুবিন গাৰ্গৰ অকাল মৃত্যুৰ ঘটনাৰ তদন্তৰ বাবে ৰাজ্য চৰকাৰে গঠন কৰা বিশেষ অনুসন্ধানকাৰী গোট চমুকৈ এছ আই টিৰ কিছু সালসলনি কৰা হৈছে। দহজনীয়া এছ আই টিৰ পৰা পৰিমিতা সৰকাৰৰ নাম আঁতৰোৱা হৈছে। মুখ্যমন্ত্ৰী ড° হিমন্ত বিশ্ব শৰ্মাই কালি সন্ধিয়া অসম আৰক্ষীৰ শীৰ্ষ বিষয়াসকলৰ সৈতে বৈঠকত মিলিত হৈ ১০ জনীয়া বিশেষ অনুসন্ধানকাৰী গোট গঠন কৰে। এই গোটৰ নেতৃত্বত এম পি গুপ্তা আছে বুলি মুখ্যমন্ত্ৰীগৰাকীয়ে প্ৰকাশ কৰিছে। শিল্পীগৰাকীৰ মৃত্যুৰ সৈতে জড়িত কোনো লোকক ৰেহাই দিয়া নহ'ব বুলিও ড° শৰ্মাই উল্লেখ কৰে। তেওঁ গুৱাহাটী চিকিৎসা মহাবিদ্যালয়ত সম্পন্ন হোৱা জুবিন গাৰ্গৰ দ্বিতীয়টো মৰণোত্তৰ পৰীক্ষাৰ সময়ত সংগ্ৰহ কৰা ভিছেৰা নতুন দিল্লীৰ কেন্দ্ৰীয় ফৰেণচিক গৱেষণাগাৰলৈ পৰীক্ষাৰ বাবে প্ৰেৰণ কৰা হ'ব বুলি প্ৰকাশ কৰে।

শিল্পীগৰাকীৰ মৃত্যুৰ ঘটনাৰ উচ্চ পৰ্যায়ৰ তদন্তৰ বাবে সদৌ অসম ছাত্ৰ সন্থাকে ধৰি বিভিন্ন দল-সংগঠন আৰু ব্যক্তিয়েও দাবী জনাইছে।

শিল্পীগৰাকীৰ আকস্মিক বিয়োগক সহজে মানি ল'ব নোৱৰা ৰাজ্যৰ জনসাধাৰণে বিভিন্ন ঠাইত তদন্ত বিচাৰি এজাহাৰ দাখিল কৰিছে আৰু ৰাজ্যৰ বিভিন্ন প্ৰান্তত এই সন্দৰ্ভত কেইবাটাও গোচৰো ৰুজু হৈছে। ইয়াৰ লগতে ৰাজ্যজুৰি শিল্পীগৰাকীৰ শ্ৰদ্ধাঞ্জলি কাৰ্যসূচীও অব্যাহত আছে। তেওঁৰ সমাধিস্থলীতো হাজাৰ হাজাৰ লোকে উজাগৰে থাকি তেওঁৰ গীত আওৰাই অহৰহ শ্ৰদ্ধা নিবেদন কৰিছে। সমাধিস্থলীত সুৰাপান কৰি উদ্ভওলি কৰাৰ অভিযোগত সোণাপুৰ আৰক্ষীয়ে ছজন যুৱক-যুৱতীক আটক কৰিছে। আৰক্ষী সূত্ৰই জনোৱা মতে তেওঁলোকে নিজকে জুবিন গাৰ্গৰ অনুৰাগী বুলি পৰিচয় দি সমাধিস্থলীৰ দেৱাল নিৰ্মাণ কৰি থকা শ্ৰমিকক কাম বন্ধ কৰিবলৈ হুমকি দিছিল। পাছত আৰক্ষী ঘটনাস্থলীত উপস্থিত হৈ সুৰামত্ত যুৱক-যুৱতী ছজনক আটক কৰে।

0000000

বিটিচি পৰিষদীয় নিৰ্বাচনৰ ভোটগণনা কাইলৈ পুৱা ৮ বজাৰ পৰা অনুষ্ঠিত হ'ব। ৪০টা পৰিষদীয় সমষ্টিৰ বাবে হ'বলগীয়া এই ভোটগণনা প্ৰক্ৰিয়া নিয়াৰিকৈ সম্পন্ন কৰাৰ বাবে বিটিআৰৰ জিলাকেইখনৰ প্ৰশাসন সাজু হৈ উঠিছে। প্ৰশাসনে স্থাপন কৰা ষ্ট্ৰং ৰুমসমূহত বেলট বাকচসমূহ কটকটীয়া নিৰাপত্তাৰ মাজত ৰখা হৈছে। এই ভোটগণনাৰ জৰিয়তে ৩১৬ গৰাকী প্ৰাৰ্থীৰ ৰাজনৈতিক ভাগ্য নিৰ্ণয় হ'ব। উল্লেখযোগ্য যে যোৱা ২২ ছেপ্তেম্বৰত বিটিচি পৰিষদীয় নিৰ্বাচনৰ ভোটগ্ৰহণত ৭৮ দশমিক ৪-২ শতাংশ লোকে ভোটদান কৰিছিল। ওদালগুৰি জিলাত এই ভোটগণনাৰ জৰিয়তে ৬৮ গৰাকী প্ৰাৰ্থীৰ ভাগ্য নিৰ্ণয় হ'ব। জিলা আয়ুক্ত কাৰ্যালয়ৰ চৌহদত স্থাপন কৰা ষ্ট্ৰংৰুমত বেলট বাকচসমূহ নিৰাপত্তা বেষ্টনীৰ মাজত ৰখা হৈছে। জিলাখনত ভোটগণনাৰ প্ৰস্তুতি সন্দৰ্ভত এয়া জিলাখনৰ পৰা আমাৰ সংবাদদাতা নাৰায়ণ ডেকা—

**ভইচ**

0000000

শাৰদীয় দুৰ্গা পূজালৈ মাজত মাথো দুদিন বাকী আছে যদিও অসমবাসীৰ আদৰৰ শিল্পী জুবিন গাৰ্গৰ বিয়োগত শাৰদীয় পৰিৱেশো নিস্তেজ হৈ পৰিছে। শিল্পীগৰাকীৰ আকস্মিক দেহাৱসানে সৃষ্টি কৰা শূন্যতাৰ পৰিৱেশৰ সৈতে এতিয়াও ৰাজ্যবাসী

সহজ হৈ উঠা নাই। ইয়াৰ মাজতে পৰম্পৰাগত ৰীতি-নীতি মানি আধ্যাত্মিকতাৰে এইবাৰ শৰতত দেৱী দুৰ্গাক আৰাধনা কৰিবলৈ ৰাজ্যৰ বিভিন্ন প্ৰান্তত প্ৰস্তুতি চলিছে।

শাৰদীয় নৱৰাত্ৰিৰ আজি চতুৰ্থ দিনা দেৱী দুৰ্গাক কুষ্মাণ্ডা ৰূপত পূজা কৰা হৈছে। দেৱীৰ এই ৰূপে সুস্বাস্থ্য, ইতিবাচক শক্তি আৰু প্ৰাণোচ্ছল জীৱনৰ বাবে প্ৰেৰণা দিয়ে বুলি বিশ্বাস কৰা হয়। অহা দেওবাৰে ষষ্ঠীৰ বেদীত দেৱী প্ৰতিষ্ঠা কৰা হ'ব। শক্তিপীঠ কামাখ্যা ধামকে ধৰি ৰাজ্যৰ বিভিন্ন প্ৰাচীন দেৱালয়সমূহত নৱৰাত্ৰিৰ পূজা পৰম্পৰাগত ৰীতি নীতিৰে সম্পন্ন কৰা হৈছে। কামাখ্যা ধামত আড়ম্বৰ পৰিহাৰ কৰি সম্পূৰ্ণ ধৰ্মীয় ৰীতি-নীতিৰে এই পূজা কৰা হয়। বিশেষকৈ শক্তিপীঠত আয়োজিত কুমাৰী পূজাই বিশেষ তাৎপৰ্য্য বহন কৰে। নৱৰাত্ৰিৰ প্ৰথম দিনাৰ পৰা শেষৰ দিনটোলৈকে প্ৰতিদিনে ইয়াত কুমাৰী পূজা কৰা হয়।

ইপিনে, ৰাজ্য চৰকাৰে ৰাজ্যৰ ৭ হাজাৰ ৮১৭ খন দুৰ্গা পুজা সমিতিলৈ উৎসৱ উদযাপনৰ সহায় হোৱাকৈ ১০ হাজাৰ টকাকৈ আৰ্থিক অনুদান আগবঢ়াইছে। ইতিমধ্যে এই অনুদান বিতৰণৰ বাবে জিলা আয়ুক্তসকলক ধনৰাশি প্ৰদান কৰা হৈছে বুলি মুখ্যমন্ত্ৰীয়ে প্ৰকাশ কৰিছে।

00000000

গোলাঘাট জিলাৰ মেৰাপানী সীমান্তৰ ভেলৌগুৰি বীজ ফাৰ্মত নগাই মজুত ৰখা তৈল খেজুৰৰ পুলিসমূহ ঘূৰাই লৈ নোযোৱাৰ পৰিপ্ৰেক্ষিতত বিভিন্ন দল-সংগঠনে আজি পুনৰ প্ৰতিবাদী কাৰ্যসূচী ৰূপায়ণ কৰে। গোলাঘাট জিলা প্ৰশাসনে পূৰ্বে স্থানীয় ৰাইজ তথা দল-সংগঠনৰ দাবীৰ প্ৰতি লক্ষ্য ৰাখি কালিৰ ভিতৰত এই তৈল খেজুৰৰ পুলিসমূহ ওভতাই পঠোৱাৰ প্ৰতিশ্ৰুতি দিছিল। কিন্তু এইক্ষেত্ৰত জিলা প্ৰশাসন ব্যৰ্থ হোৱাত আজি ৰাইজে পুনৰ প্ৰতিবাদী কাৰ্যসূচী গ্ৰহণ কৰে।

0000000

বিশ্ব ঐতিহ্যক্ষেত্ৰ কাজিৰঙা ৰাষ্ট্ৰীয় উদ্যানৰ ব্যাঘ্ৰ সংৰক্ষিত প্ৰকল্প কাইলৈৰ পৰা দৰ্শকৰ বাবে মুকলি কৰা হ'ব। দুৰ্গা পূজাৰ প্ৰতি লক্ষ্য ৰাখি কাইলৈ ৰাষ্ট্ৰীয় উদ্যানখনত বাগৰি, সংমণ্ডলৰ সীমিত পৰ্যটন পথহে দৰ্শনাৰ্থীৰ বাবে আনুষ্ঠানিকভাৱে মুকলি কৰা হ'ব বুলি মুখ্যমন্ত্ৰী ডঃ হিমন্ত বিশ্ব শৰ্মাই অৱগত কৰিছে। ৰাষ্ট্ৰীয় উদ্যানখনৰ কেন্দ্ৰীয় বন সংমণ্ডল কঁহৰা অক্টোবৰ মাহৰ দ্বিতীয় সপ্তাহত আৰু হাতী চাফাৰী এক নৱেম্বৰৰ পৰা মুকলি হোৱাৰ সম্ভাৱনাৰ কথাও মুখ্যমন্ত্ৰীগৰাকীয়ে জানিবলৈ দিয়ে।

ইফালে, ৰাজ্যৰ অন্য এখন বিশ্ব ঐতিহ্যক্ষেত্ৰ  মানাহ ৰাষ্ট্ৰীয় উদ্যান কালিৰেপৰা পুনৰ মুকলি কৰা হৈছে। এই উপলক্ষে কালি উদ্যানখনৰ বাঁহবাৰী সংমণ্ডলৰ প্ৰথম প্ৰৱেশদ্বাৰৰ পৰা মুখ্য প্ৰৱেশদ্বাৰলৈ এটা হস্তী সমদল উলিওৱা হয়। ইয়াৰ পাছতেই বি টি চিৰ বন বিভাগৰ সচিব সুমন মহাপাত্ৰই ৰাষ্ট্ৰীয় উদ্যানখন ২০২৫-২৬ পৰ্যটন বৰ্ষৰ বাবে আনুষ্ঠানিকভাৱে মুকলি কৰে। কাৰ্যসূচীৰ আৰম্ভণিতে জনতাৰ শিল্পী জুবিন গাৰ্গৰ স্মৃতিত এক মিনিট মৌনতা অৱলম্বন কৰা হয়।

0000000

ডিব্ৰুগড় জিলাৰ উদয়পুৰ নিবাসী শিল্পী শান্তনু শৰ্মাৰ যোৱানিশা মৃত্যু হয়। মৃত্যুৰ সময়ত তেওঁৰ বয়স হৈছিল ৬৪ বছৰ। তেওঁ আকাশবাণী ডিব্ৰুগড় কেন্দ্ৰৰ নাটকৰ নিয়মীয়া শিল্পী আছিল। তেওঁৰ মৃত্যুত বিভিন্ন অনুষ্ঠান-প্ৰতিষ্ঠানে শোক প্ৰকাশ কৰাৰ লগতে শোকসন্তপ্ত পৰিয়াললৈ সমবেদনা জ্ঞাপন কৰিছে।

0000000

**সমাপ্ত**